**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-08-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-----------------------

১। গুৱাহাটীৰ ৰিং ৰোড প্ৰকল্পৰ বাবে কেন্দ্ৰীয় কেবিনেটৰ ৫ হাজাৰ ৭২৯ কোটি টকা আৱণ্টনৰ অনুমোদন।

২। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু টাটা ছনছৰ অধ্যক্ষ নটৰাজন চন্দ্ৰ শেখৰণৰ উপস্থিতিত আজি জাগীৰোডত ২৭ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া ৰাজ্যৰ প্ৰথমটো ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ ভূমিপূজন।

৩। বিভাগীয় প্ৰকল্পৰ বাবে সহযোগিতা বিচাৰি মন্ত্ৰী কেশৱ মহন্তৰ কালি নতুন দিল্লীত চাৰিগৰাকী কেন্দ্ৰীয় মন্ত্ৰীক সাক্ষাৎ।

৪। অহা ১০ ছেপ্তেম্বৰত গুৱাহাটীত হ'বলগীয়া উত্তৰ-পূবৰ বিজ্ঞান-প্ৰযুক্তি মন্ত্ৰীৰ সন্মিলনত কেন্দ্ৰীয় মন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙৰ অংশগ্ৰহণ।

**আৰু**

৫। পেৰিছ অলিম্পিকত শ্বাটলাৰ লক্ষ্য সেন আৰু পুৰুষ হকী দলৰ গৌৰৱময় প্ৰদৰ্শন। আজি পদক জয়ৰ হেট্ৰিক অৰ্জনৰ লক্ষ্যৰে মনু ভাকৰৰ খেল।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় কেবিনেটে কালি মুঠ ৯৩৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ গুৱাহাটীসহ ৮টা হাই স্পীড ৰোড ক'ৰিডৰ নিৰ্মাণত অনুমোদন জনায়। এই ৮টা ঘাইপথ প্ৰকল্পৰ বাবে মুঠ ৫০ হাজাৰ ৬৫৫ কোটি টকা ব্যয় হ'ব বুলি চৰকাৰে জানিবলৈ দিছে। ইয়াৰ ভিতৰত ১২১ কিলোমিটাৰ দৈৰ্ঘ্যৰ গুৱাহাটীৰ ৰিং ৰোড প্ৰকল্পটোৰ নামত ৫ হাজাৰ ৭২৯ কোটি টকা আৱণ্টনৰ বাবে কেবিনেটে অনুমোদন জনাইছে। এই প্ৰকল্পই ৰাজ্যখনৰ যোগাযোগ ব্যৱস্থাৰ লগতে আৰ্থ-সামাজিক উত্থানত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে এই প্ৰকল্পৰ অধীনত বৰ্তমানৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ৮ কিলোমিটাৰ পথ ছয়লেন কৰা হ'ব আৰু ৫৮ কিলোমিটাৰ বৰ্তমানৰ পথৰ উন্নতি সাধন কৰা হ'ব। ইপিনে প্ৰকল্পটোৰ অংশ হিচাপে ব্ৰহ্মপুত্ৰৰ ওপৰত এখন বৃহৎ দলঙো নিৰ্মাণ কৰা হ'ব। গুৱাহাটীৰ ৰিং ৰোডৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলৰ দুৱাৰমুখ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত চলাচল কৰা দীৰ্ঘ দূৰত্বৰ যাতায়াতৰ ক্ষেত্ৰত অধিক সুচলতা লাভ কৰিব পৰা যাব। এই ৰিং ৰোডে গুৱাহাটীৰ আশে-পাশে থকা প্ৰধান ঘাইপথসমূহত যান-জঁট লাঘৱ কৰাৰ লগতে উত্তৰ-পূবৰ প্ৰধান চহৰ শিলিগুৰি, শিলচৰ, শ্বিলং, যোৰহাট, তেজপুৰ, যোগীঘোপা আৰু বৰপেটাৰ মাজত যাতায়াত আৰু যান বাহনৰ চলাচল সুচল কৰি তোলাত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব।

ইপিনে কেন্দ্ৰীয় কেবিনেটত লোৱা এই সিদ্ধান্তক আদৰণি জনাই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই অনুমোদনৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় নীতিন গাডকাৰীক ধন্যবাদ জনায়।

০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু টাটা ছনছৰ অধ্যক্ষ নটৰাজন চন্দ্ৰশেখৰনৰ উপস্থিতত আজি জাগীৰোডত অসমৰ প্ৰথমটো ছেমি কণ্ডাক্টৰ প্ৰকল্প বা অৰ্ধ পৰিবাহী সমাৱিষ্টকৰণ আৰু পৰীক্ষণ কেন্দ্ৰৰ ভূমি পূজন কৰা হ'ব। অসমক বিশ্বৰ অৰ্ধ পৰিবাহী উদ্যোগৰ মূল হোতাৰূপে প্ৰতিষ্ঠিত কৰাত এই উদ্যোগে বিশেষ ভূমিকা ল'ব বুলি আশা কৰা হৈছে। উদ্যোগটোৱে ৰাজ্যত অত্যাধুনিক প্ৰযুক্তিৰ বিকাশ ঘটোৱাৰ লগতে নিয়োগৰ অফুৰন্ত সুযোগ সৃষ্টি কৰি অৰ্থনৈতিক উন্নয়ন ক্ষীপ্ৰ কৰি তুলিব। এই প্ৰকল্পত মুঠ ২৭ হাজাৰ কোটি টকাৰ ব্যয় নিৰ্ধাৰণ কৰা হৈছে। প্ৰকল্পটো সম্পূৰ্ণ হ'লে ২৭ হাজাৰ কৰ্মসংস্থান সৃষ্টি হ'ব। ৪৮ মিলিয়ন চিপ উৎপাদনৰ সামৰ্থ থকা এই প্ৰকল্প ৰাজ্যত প্ৰযুক্তিগত প্ৰগতিৰ দিশত মাইলৰ খুঁটি হিচাপে পৰিগণিত হ'ব। ১৮ মাহত প্ৰকল্পটোৰ নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ লক্ষ্য স্থিৰ কৰা হৈছে।

০০০০০০

ৰাজ্যৰ বিজ্ঞান প্ৰযুক্তি, জলবায়ু পৰিৱৰ্তন, পৰিবহণ, মীন আৰু তথ্য প্ৰযুক্তিৰ মন্ত্ৰী কেশৱ মহন্তই কালি বিভাগীয় প্ৰকল্পৰ বাবে কেন্দ্ৰৰ সহযোগিতা বিচাৰি কেন্দ্ৰীয় মন্ত্ৰী ভূপেন্দৰ যাদৱ, গজেন্দ্ৰ সিং শেখাৱট, এইচ ডি কুমাৰাস্বামী আৰু ড০ জিতেন্দ্ৰ সিঙক সাক্ষাৎ কৰে। কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী যাদৱৰ সৈতে হোৱা বৈঠকত শ্ৰী মহন্তই অসমৰ বাবে জলবায়ু পৰিৱৰ্তন প্ৰতিৰোধৰ নতুন আঁচনি গ্ৰহণৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ **মিছন লাইফ** শীৰ্ষক কাৰ্যসূচী আৰু অধিক বহল পৰিসৰত ৰূপায়ণৰ বাবে আহ্বান জনায়। এই আহ্বানলৈ সঁহাৰি জনাই কেন্দ্ৰীয় মন্ত্ৰী যাদৱে জলবায়ু পৰিৱৰ্তনৰ সমস্যা প্ৰশমনৰ দিশত অসমক মন্ত্ৰ্যালয়ৰ ফালৰ পৰা পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। বৈঠকত অসম বিজ্ঞান প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদ চমুকৈ এছটেকৰ সঞ্চালক ড০ জয়দ্বীপ বৰুৱায়েও অংশগ্ৰহণ কৰে। এই বৈঠকতে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে অসমৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত মিছন লাইফ কাৰ্যসূচী আগবঢ়াই নিয়াৰ বাবে আই আই টি গুৱাহাটী আৰু অসম চৰকাৰৰ বিজ্ঞান প্ৰযুক্তি তথা জলবায়ু পৰিৱৰ্তন বিভাগক জড়িত কৰি **আইডিয়াছ ফৰ লাইফ** নামেৰে নতুন পদক্ষেপ গ্ৰহণ কৰিব বুলিও জানিবলৈ দিয়ে।

ইয়াৰ পিছতে শ্ৰী মহন্তই কেন্দ্ৰীয় সংস্কৃতি আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটক সাক্ষাৎ কৰি গুৱাহাটীৰ সমীপৰ সোণাপুৰত নিৰ্মীয়মান ছায়েন্স চিটী প্ৰকল্পটোৰ নিৰ্মাণকাৰ্য খৰটকীয়াকৈ সম্পূৰ্ণ কৰাৰ লগতে অতিৰিক্ত নিৰ্মাণ ব্যয় মন্ত্ৰ্যালয়ৰ ফালৰ পৰা অনুমোদন জনাবলৈ অনুৰোধ কৰে। এই অনুৰোধ গ্ৰহণ কৰি শ্ৰী শেখাৱটে প্ৰকল্পটো পৰিদৰ্শনৰ লগতে কেন্দ্ৰৰ দ্বাৰা ৰূপায়িত বিজ্ঞান-সংস্কৃতিৰ বিভিন্ন প্ৰকল্প তথা কাৰ্যসূচীৰ পৰ্যালোচনাৰ বাবে চলিত মাহতে অসম ভ্ৰমণলৈ আহিব বুলি অৱগত কৰে।

ইফালে কালিয়েই কেন্দ্ৰীয় গুৰু উদ্যোগ মন্ত্ৰী এইচ ডি কুমাৰাস্বামীৰ সৈতে হোৱা সাক্ষাৎকালত শ্ৰী মহন্তই শিলচৰত স্থাপিত নেচনেল ইনষ্টিটিউট ফ'ৰ অটোমেটিভ ইন্সপেকশ্বন মেইনটেনেন্স এণ্ড ট্ৰেইনিং চমুকৈ এন আই এ আই এম টিক পূৰ্ণৰূপত কাৰ্যক্ষম কৰি অটোমেটেড টেষ্টিং চেণ্টাৰলৈ উন্নীতকৰণৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক অনুৰোধ জনায়। ইফালে শ্ৰী মহন্তই কেন্দ্ৰীয় বিজ্ঞান-প্ৰযুক্তি মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙক সাক্ষাৎ কৰি ৰাজ্যত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা খণ্ডৰ দ্ৰুত প্ৰসাৰৰ বিষয়ত আলোচনাত মিলিত হোৱাৰ সময়তে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে অহা ১০ ছেপ্তেম্বৰত গুৱাহাটীত হ'বলগীয়া উত্তৰ-পূবৰ বিজ্ঞান প্ৰযুক্তি মন্ত্ৰীৰ সন্মিলনত ভাগ ল'ব বুলি অৱগত কৰে। সাক্ষাৎকালত শ্ৰী মহন্তই উত্তৰ-পূৰ্বাঞ্চলৰ জলবায়ু পৰিৱৰ্তন সংবেদনশীলতাৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটীত ধৰিত্ৰী-বিজ্ঞান মন্ত্ৰ্যালয়ৰ অধীনত এটা জলবায়ু পৰিৱৰ্তন গৱেষণা আৰু উন্নয়নৰ উৎকৰ্ষ কেন্দ্ৰ স্থাপনৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক অনুৰোধ জনায়।

আনহাতে ৰাজ্যৰ দূৰ সংযোগ আৰু মীন খণ্ডৰ বিকাশ তথা আধুনিকীকৰণৰ বাবে কেন্দ্ৰৰ সহযোগিতা বিচাৰি শ্ৰী মহন্তই কালি কেন্দ্ৰীয় দূৰ সংযোগ সচিব নীৰজ মিত্তল আৰু মীন সচিব ড০ অভিলাষ লিখিৰে পৃথকে দুখন গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়।

০০০০০০

কাজিৰঙাত প্ৰথমখন পঞ্চতাৰকা হোটেল নিৰ্মাণৰ বাবে আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, টাটা ছনছৰ অধ্যক্ষ এন চন্দ্ৰশেখৰণ আৰু পৰ্যটন মন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ উপস্থিতিত বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হ'ব। তাজ ৰিজ'ৰ্ট আৰু স্পাৰ অধীনত নিৰ্মাণ হ'বলগীয়া এই হোটেলৰ বাবে ভাৰতীয় হোটেল কোম্পানী লিমিটেডৰ সৈতে অসমৰ পৰ্যটন উন্নয়ন নিগম আৰু এমালগেমেটেড প্লেণ্টেচনছ্ প্ৰাইভেট লিমিটেডে চুক্তিত স্বাক্ষৰ কৰিব। মুঠ ১২০ কোটি টকা বিনিয়োগেৰে নিৰ্মাণ হ'বলগীয়া এই হোটেলত কমেও ২০০ গৰাকী লোকৰ প্ৰত্যক্ষ নিযুক্তি সম্ভৱ হ'ব। ৭৫ পৰা ১০০টা কোঠাৰ ব্যৱস্থা থাকিবলগীয়া এই হোটেলত বিলাসী আতিথ্যৰ সকলো সুবিধা আগবঢ়োৱা হ'ব। হোটেলখনৰ নিৰ্মাণে ৰাজ্যখনৰ পৰ্যটন খণ্ডত সামগ্ৰিক উন্নয়ন সাধিব বুলি আশা কৰা হৈছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ৰাষ্ট্ৰীয় কৃষি বিজ্ঞান কেন্দ্ৰ ভৱনত কৃষি অৰ্থনীতিবিদ সকলৰ ৩২ সংখ্যক আন্তঃৰাষ্ট্ৰীয় সন্মিলনখন উদ্বোধন কৰিব। খন্তেক পিছতে আৰম্ভ হ'বলগীয়া এই সন্মিলনত ৭৫ খন দেশৰ প্ৰায় এহেজাৰ গৰাকী প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। অহা ৭ আগষ্টলৈ চলিবলগীয়া সন্মিলনখনৰ বিষয়বস্তু হৈছে **বহনক্ষম কৃষি-খাদ্য প্ৰণালীৰ দিশত পৰিৱৰ্তন।** সন্মিলনখনত ভাৰতৰ ডিজিটেল কৃষি আৰু বহনক্ষম কৃষি-খাদ্য প্ৰণালীৰ অগ্ৰগতিকে ধৰি সামগ্ৰিক কৃষি প্ৰগতিৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰা হ'ব। উল্লেখযোগ্য যে এই ত্ৰি-বাৰ্ষিক সন্মিলনখন ৬৫ বছৰৰ পাছত ভাৰতত অনুষ্ঠিত হ'ব।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে পি আই বি গুৱাহাটীৰ সহযোগত আজি নিশা ৮ বাজি ২ মিনিটত শ্ৰোতাৰ বাবে অলিম্পিক কুইজৰ আয়োজন কৰিছে। অনুষ্ঠানত ক্ৰীড়া সাংবাদিক সুসীম ঘোষ আৰু ত্ৰিদীপ বপৰনচ সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। আজি পেৰিছ অলিম্পিক সন্দৰ্ভত হ'বলগীয়া দৃষ্টিপাত অনুষ্ঠানত শ্ৰোতাক প্ৰশ্ন সোধা হ'ব। দৃষ্টিপাত অনুষ্ঠানৰ যোগেদিয়ে কুইজ প্ৰতিযোগিতাৰ বাবে শ্ৰোতাসকলে উত্তৰ দিব পাৰিব। অনুষ্ঠানটোৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০০০০

নতুন দিল্লীত আজি আকাশবাণী সংগীত সমাৰোহ-২০২৪ অনুষ্ঠিত হ'ব। আকাশবাণীৰ ৰং ভৱনত সন্ধিয়া চাৰে ৫ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া দুদিনীয়া এই সংগীত সমাৰোহত পণ্ডিত ৰাজেন্দ্ৰ প্ৰসন্ন, পণ্ডিত জয়তীৰ্থ মেভুণ্ডি আৰু পণ্ডিত বিশ্বমোহন ভাটে গীত পৰিৱেশন কৰিব। দিল্লীৰ উপৰিও হায়দৰাবাদ, পাটনা, জম্মু, শ্বিলং, ইম্ফল, কটক, বেংগালুৰু, ভূপাল, চেন্নাই আৰু ৰাঁচীকে ধৰি অন্যান্য চহৰতো পৃথক দিনত আকাশবাণী সংগীত সমাৰোহৰ আয়োজন কৰা হৈছে। আকাশবাণীয়ে ভাৰতৰ ঐতিহ্য আৰু বৈচিত্ৰ্যপূৰ্ণ সংস্কৃতিক প্ৰসাৰ আৰু প্ৰচাৰ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ নাট শাখাৰ কণ্ঠস্বৰ পৰীক্ষা অৰ্থাৎ অডিচনৰ বাবে নিৰ্দিষ্ট কৰা দিনৰ সালসলনি ঘটোৱা হৈছে। নাট শাখাৰ পৰা জনোৱা মতে অনিবাৰ্য কাৰণবশতঃ ২ আগষ্টৰ পৰা অনুষ্ঠিত

হ'বলগীয়া পূৰ্ব ঘোষিত কণ্ঠস্বৰ পৰীক্ষাৰ সূচী নতুনকৈ ঘোষণা কৰা হৈছে। নতুন তাৰিখ অনুসৰি অহা ৩ ছেপ্তেম্বৰৰ পৰা ২০ ছেপ্তেম্বৰলৈকে এই অ'ডিচন সম্পন্ন হ'ব। নতুনকৈ আবেদন কৰা শিশু শিল্পী আৰু বি-গ্ৰেডৰ উপৰি বি-হাই গ্ৰেডৰ বাবেও একেলগে অডিচন সম্পন্ন হ'ব। প্ৰাৰ্থীসকললৈ কণ্ঠস্বৰ পৰীক্ষাৰ প্ৰৱেশ পত্ৰ ডাক যোগে পঠিওৱাৰ লগতে প্ৰত্যেকৰে ম'বাইলত অডিচনৰ তাৰিখ আৰু সময় সম্পৰ্কে বাৰ্তা প্ৰেৰণ কৰা হ'ব। যদি আবেদন কৰা কোনো প্ৰাৰ্থীয়ে এই দুয়োটা মাধ্যমৰ এটাৰ জৰিয়তেও নিজৰ কণ্ঠস্বৰ পৰীক্ষাৰ দিন-সময় সম্পৰ্কে অৱগত নহয়, তেন্তে তেওঁলোকে অহা ২০ আগষ্টৰ পাছত ৯৪০১০-৮৩০১৮ নম্বৰত হোৱাটছ্-এপ যোগে যোগাযোগ কৰিব পাৰিব। পৰীক্ষাত উত্তীৰ্ণ হৈ নাট শাখাৰ অভিনয় শিল্পীৰ স্বীকৃতি পোৱাসকলৰ তালিকা ২৪ ছেপ্তেম্বৰৰ বিয়লি ৩ বজাত প্ৰকাশ কৰা হ'ব।

০০০০০০

চলিত ১৩৩ সংখ্যক ইণ্ডিয়ান অইন ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ আজি কোকৰাঝাৰৰ ছাই ষ্টেডিয়ামত হ'বলগীয়া গ্ৰুপ-ইৰ দ্বিতীয়খন খেলত আই এছ্ এলৰ দল ওড়িশা এফ চিয়ে বি এছ্ এফ ফুটবল দলৰ সৈতে খেলিব। আবেলি ৪ বজাৰ পৰা এই মেচখন অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে উভয় দলৰ বাবে এয়া প্ৰতিযোগিতাৰ প্ৰথম খেল।

০০০০০০

ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল কালি ৰোমাঞ্চকৰভাৱে ড্ৰ হয়। ভাৰতে ২৩১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৪৭ অভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৩০ ৰান সংগ্ৰহ কৰে। ইয়াৰ পূৰ্বে শ্ৰীলংকাই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ৫০ অভাৰত ৮টা উইকেটৰ বিনিময়ত ২৩০ ৰান কৰে। শ্ৰীলংকাৰ হৈ বেটে বলে সুন্দৰ প্ৰদৰ্শন আগবঢ়োৱা দুনিথ ৱেল্লালগেক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। শৃংখলাৰ দ্বিতীয়খন খেল কাইলৈ কলম্বোত অনুষ্ঠিত হ'ব।

০০০০০০

ভাৰতীয় মহিলা শ্বুটাৰ মনু ভাকৰে চলিত পেৰিছ অলিম্পিকত আজি তৃতীয়টো পদক লাভৰ লক্ষ্যৰে খেলিব। ইতিমধ্যে দুটা পদক জয় কৰি ইতিহাস গঢ়া মনুৱে মহিলাৰ ২৫ মিটাৰ পিষ্টল শাখাৰ ফাইনেল ৰাউণ্ডত প্ৰৱেশ কৰি আৰু এটা পদক জয়ৰ দিশে অগ্ৰসৰ হৈছে। আজিৰ দিনৰ ১ বজাত মনুৱে ফাইনেলত অৱতীৰ্ণ হৈ ঐতিহাসিক সফলতা অৰ্জনৰ প্ৰয়াস কৰিব। উল্লেখযোগ্য যে পেৰিছ অলিম্পিকত দেশক প্ৰথমটো পদক দিয়া মনুৱে ইতিমধ্যে ১০ মিটাৰ পিষ্টল শাখাত একক আৰু মিক্সড ডাবলছত ব্ৰঞ্জৰ পদক লাভ কৰি এখন অলিম্পিকতে দুটাকৈ পদক জয় কৰা প্ৰথম ভাৰতীয় ক্ৰীড়াবিদ হোৱাৰ গৌৰৱ অৰ্জন কৰিছে। আজিয়েই ভাৰতীয় শ্বুটিং দলৰ সদস্য অনন্তজিৎ সিং নাৰুকা, মহেশ্বৰী চৌহান আৰু ৰাইজা ধিলনে পুৰুষ আৰু মহিলাৰ স্কিট প্ৰতিযোগিতাৰ যোগ্যতা নিৰ্ণায়ক খেলত অৱতীৰ্ণ হ'ব। দিনৰ চাৰে ১২ বজাত আৰম্ভ হ'বলগা এই প্ৰতিযোগিতাৰ পদকৰ খেলো আজিয়েই অনুষ্ঠিত হ'ব।

ইফালে মহিলাৰ একক শাখাৰ আৰ্চাৰীত আজি ভাৰতৰ দীপিকা কুমাৰী আৰু ভজন কৌৰে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হ'ব। দিনৰ ১ বাজি ৫২ মিনিটৰ পৰা দুয়োখন খেল অনুষ্ঠিত হ'ব। আৰ্চাৰীৰ তিনিওটা পদক খেলো আজিয়েই অনুষ্ঠিত হ'ব। পদক জয়ৰ বাবে দুই ভাৰতীয় মহিলা আৰ্চাৰে তিনিখন নকআউট মেচত জয়লাভ কৰিব লাগিব। উল্লেখযোগ্য যে আৰ্চাৰীত যোৱা নিশা ভাৰতৰ ধীৰাজ আৰু অংকিতা

যুটীয়ে মিক্সড ৰিকাৰ্ভ শাখাৰ ব্ৰঞ্জৰ পদকৰ খেলত আমেৰিকাৰ বিৰুদ্ধে ৬-২ ব্যৱধানত পৰাস্ত হয় যদিও ভাৰতৰ প্ৰথম আৰ্চাৰী খেলুৱৈ হিচাপে পদক নিৰ্ণায়ক খেলত অংশ লৈ অভিলেখ গঢ়ে।

ইফালে আজি নিশা ১২ বাজি ১৮ মিনিটত ভাৰতৰ বক্সাৰ নিশান্ত দেৱে পুৰুষৰ ৭১ কিলোগ্ৰাম ওজন শাখাৰ কোৱাৰ্টাৰ ফাইনেলত মেক্সিকোৰ মাৰ্ক' বেৰ্ডেৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। এই খেলখনত জয়লাভ কৰিলেই বীজেন্দৰ সিঙৰ পাছত দ্বিতীয় গৰাকী ভাৰতীয় পুৰুষ বক্সাৰ হিচাপে নিশান্তে পদক জয় কৰিবলৈ সমৰ্থ হ'ব। আনহাতে যোৱা নিশা ইতিহাস ৰচি ভাৰতৰ প্ৰথম পুৰুষ শ্বাটলাৰ হিচাপে লক্ষ্য সেনে অলিম্পিকৰ বেডমিণ্টনৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিবলৈ সমৰ্থ হয়। কোৱাৰ্টাৰ ফাইনেলত লক্ষ্যই চীনা টাইপেৰ ছু টিয়ান চেনৰ বিৰুদ্ধে প্ৰথমটো ছেট ১৯-২১ৰ ব্যৱধানত হেৰুৱাই যদিও পৰৱৰ্তী ছেট দুটা ২১-১৫ আৰু ২১-১২ৰ ব্যৱধানত দখল কৰে। ইপিনে ভাৰতীয় পুৰুষ হকী দলে যোৱা নিশা বৃহৎ সফলতা লাভ কৰি ৫২ বছৰ পাছত অলিম্পিকত অষ্ট্ৰেলিয়াক ৩-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰিবলৈ সমৰ্থ হয়। ইতিমধ্যে ভাৰতে কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে। আনহাতে এথলেটিকছত কালি শ্বটপুটত তেজিন্দৰ পাল সিং টুৰ আৰু অংকিতা ধ্যানিয়ে অংশ লৈছিল যদিও ফাইনেলত প্ৰৱেশত ব্যৰ্থ হয়।

০০০০০০

কেন্দ্ৰীয় কেবিনেটে কালি ৫,৭২৯ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হবলগীয়া ১২১ কিলোমিটাৰ দৈৰ্ঘ্যৰ গুৱাহাটী ৰিং ৰোড প্ৰকল্পত অনুমোদন জনোৱা বাতৰিটো গুৱাহাটীৰ পৰা আজি প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতে গুৰুত্বসহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। এপিএছচিৰ কৃষি উন্নয়ন বিষয়া নিযুক্তিৰ কেলেংকাৰিত ৰাকেশ পালৰ বিধি উলঙ্ঘন প্ৰধান পৰীক্ষা নিয়ন্ত্ৰকৰ জ্ঞাত আছিল শীৰ্ষৰে এটা বাতৰি আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। ২০১৯ চনৰ পৰা বৰ্তমানলৈ ৰাজ্যত প্ৰায় ৮ লাখ ৬৬ হাজাৰ মনৰেগা জব কাৰ্ড বাতিল হোৱা বুলি ৰাজ্যসভা কেন্দ্ৰীয় গ্ৰামোন্নয়ন ৰাজ্য মন্ত্ৰী কমলেশ পাছৱানে প্ৰকাশ কৰা তথ্যৰ উদ্ধৃতিৰে এটা বাতৰি The Sentinel কাকতে প্ৰথম পৃষ্ঠাত পৰিৱেশন কৰিছে। আনহাতে ৰাজ্যত মনৰেগাৰ অধীনত শ্ৰমিকসকলে এশ দিনৰ পৰিৱৰ্তে গড়ে ৩৫ দিনৰহে কাম পাইছে। কেন্দ্ৰীয় গ্ৰামোন্নয়ন ৰাজ্য মন্ত্ৰীৰ উদ্ধৃতিৰে এই বাতৰিটো দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰলৈ ভাৰত আমেৰিকাৰ মহাকাশ অভিযানৰ বাবে শুভাংশু শুক্লাক মুখ্য মহাকাশচাৰী হিচাপে নিযুক্ত হোৱাৰ বাতৰিটো The Assam Tribune আৰু দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। উন্নতি আঁচনিৰ অধীনত উত্তৰ পূবৰ উদ্যোগীকৰণত কেন্দ্ৰই ১০ বছৰত ১০,০৩৭ কোটি ব্যায়ৰ লক্ষ্য লোৱা বুলি লোকসভাত কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ ৰাজ্য মন্ত্ৰী জিতিন প্ৰসাদে প্ৰকাশ কৰাৰ উদ্ধৃতিৰে নিয়মীয়া বাৰ্তা কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত পৰিৱেশন কৰিছে। ৰূপসী বিমান বন্দৰ কালিচৰণ ব্ৰহ্মৰ নামত নামকৰণৰ কেবিনেত সিদ্ধান্ত বাতিল কৰিবলৈ কোচ ৰাজবংশী সংগঠন সমূহে দাবী জনোৱাৰ বাতৰটো দৈনিক অগ্ৰদূত আৰু দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। প্ৰাক্তন বিধায়ক অশোক শৰ্মাৰ বিজেপি ত্যাগৰ সমান্তৰালভাৱে বিজেপিত বৃদ্ধি হোৱা বিসম্বাদ আৰু অসন্তুষ্টি প্ৰশমন কৰিবলৈ ৰাজ্যিক বিজেপিয়ে পদক্ষেপ গ্ৰহণ কৰাৰ বাতৰিটো গুৱাহাটীৰ পৰা আজি প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতে ভিন ভিন শিৰোনামৰে আলোকচিত্ৰসহ প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে- সংসদত সৰ্বানন্দ সোণোৱালৰ প্ৰকাশ কপিলী, ধনশিৰিৰে জাহাজ চলাচলৰ বাবে হৈছে ড্ৰেজিং, হাইড্ৰগ্ৰাফিক জৰীপ, আমিনগাঁওত শিক্ষাৰ্থীক নিচাযুক্ত টেবলেট খুৱালে টিউচন শিক্ষয়ত্ৰীয়ে, আমেৰিকাৰ অৰ্থনৈতিক মন্দাৰ প্ৰভাৱ, বিশ্বৰ শ্বেয়াৰ বজাৰত অভূতপূৰ্ব জোকাৰণি, বানত ৰাজ্যত পাঁচ বছৰত ৮৮০ জনৰ প্ৰাণহানি, বুধ গ্ৰহত ১৮ কিলো মিটাৰৰ ডাঠ হীৰাৰ ভাণ্ডাৰ, কাছাৰৰ ভুৱা encounterত তিনি সন্দেহযুক্ত মাৰ উগ্ৰপন্থীৰ মৃতদেহ আৰু চদিন মৰ্গত ৰখাৰ নিৰ্দেশ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ, President opens conference of Governors, conclave to end today, indo Bangladesh protocol route boosted cargo movement: Sonowal ইত্যাদি।

এয়াই আছিল গুৱাহাটীৰপৰা আজি প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত